# অসম বিধান সভা
# তৰা বিহীন প্ৰশ্ন নং:১৪
# উত্তৰ দিয়া তাৰিখ:০৬/০৭/২০২৬

বিষয়: পশু চিকিৎসাৰ  উপ-স্বাস্থ্যকেন্দ্ৰ সন্দৰ্ভত

শ্ৰীপৃথ্বিৰাজ ৰাভা **:** বিধায়ক

মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে **:**

(ক) তেজপুৰ বিধান সভা সমষ্টিত কেইটা উপ-স্বাস্থ্যকেন্দ্ৰ আছে ?

(খ) তাৰে কিমানটা উপযোগী আৰু কিমানটা অনুপযোগী অৱস্থাত আছে ?

(গ) যদি আছে**,** বিভাগীয়ভাৱে ইয়াৰ ওপৰত কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নে ?

**: উত্তৰ :**

মাননীয় পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়া শ্ৰীমতী নীলিমা দেৱীয়ে   উত্তৰ দিব **:**

(ক)  তেজপুৰ বিধান সভা সমষ্টিত মুঠ ৫ (পাঁচ) টা পশু চিকিৎসা উপকেন্দ্ৰ আছে।

(খ) উক্ত পশু স্বাস্থ্য উপকেন্দ্ৰ সমূহৰ ভিতৰত  বৰ্তমান   এটা উপকেন্দ্ৰ উপযোগী হৈ আছে আৰু বাকী ৪ টা অনুপযোগী অৱস্থাত আছে।

(গ) অনুপযোগী কেন্দ্ৰৰ অঞ্চল সমূহত কাষৰ  উপস্বাস্থ্য কেন্দ্ৰৰ আৰু MVU (ভ্ৰাম্যমাণ পশু চিকিৎসা সেৱা) দ্বাৰা পশু চিকিৎসা সেৱা আগবঢ়াই থকা হৈছে আৰু উপকেন্দ্ৰ সমূহ ব্যৱহাৰোপযোগী কৰিবলৈ ব্যৱস্থা লোৱা হৈ আছে।

***উত্তৰ ইতিমধ্যে অনলাইন যোগে প্ৰেৰন কৰা হৈছে***

********